**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 31-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে দুদিনীয়া ভ্ৰমণসূচীৰে আজি সন্ধিয়া মুম্বাইত উপস্থিত হ'ব।

২। পবিত্ৰ ৰমজান মাহৰ অন্তত আজি সমগ্ৰ দেশতে ঈদ-উল-ফিতৰ উৎসৱ উদযাপন কৰা হৈছে।

৩। অসম চৰকাৰে ডিব্ৰুগড় জিলাত আজিৰ পৰা সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪। ভাৰতীয় বায়ুসেনাই আজি গ্ৰীচত হ'বলগীয়া বহুদেশীয় বায়ু অনুশীলনত অংশগ্ৰহণ কৰিব। ***আৰু***

৫। গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত কালি অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ৰাজস্থান ৰয়েলছে চেন্নাই চুপাৰ কিংছক ৬ ৰাণৰ ব্যৱধানত পৰাস্ত কৰে।

00000

**ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে দুদিনীয়া ভ্ৰমণসূচীৰে আজি সন্ধিয়া মুম্বাইত উপস্থিত হব। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ মুম্বাইত অনুষ্ঠিত হবলগীয়া ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৯০ বছৰীয়া জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব।**

00000

পবিত্ৰ ৰমজান মাহৰ অন্তত আজি সমগ্ৰ দেশতে ঈদ-উল-ফিতৰ উৎসৱ উদযাপন কৰা হৈছে। ইছলাম ধৰ্মাৱলম্বী লোকসকলে ঈদগাহ আৰু মছজিদসমূহত ঈদৰ সমূহীয়া নামাজ পঢ়িব। দিল্লীত জামা মছজিদ, ফাতেহপুৰী মছজিদ আৰু শ্বাহী ঈদগাহ ময়দানত সমূহীয়া ঈদৰ নামাজৰ আয়োজন কৰা হৈছে।

ঈদ উপলক্ষে ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিয়ে ইছলাম ধৰ্মাৱলম্বী লোকসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে পবিত্ৰ ৰমজান মাহৰ উপবাস আৰু প্ৰাৰ্থনাৰ অন্তত ঈদ পালন কৰা হয়। শ্ৰীমতী মুৰ্মুৱে কয়, যে এই উৎসৱে ভাতৃত্ববোধ, সহযোগিতা আৰু দয়াৰ মনোভাৱ বৃদ্ধি কৰে। এই উৎসৱে জনসাধাৰণৰ মাজলৈ শান্তি, প্ৰগতি আৰু সুখ কঢ়িয়াই অনাৰ লগতে ইতিবাচক দিশত আগুৱাই লৈ যাব বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আশা প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে ঈদ উৎসৱে সাংস্কৃতিক বৈচিত্ৰক প্ৰতিফলিত কৰাৰ লগতে একতাৰ মনোভাৱ জগাই তোলে। তেওঁ আশা প্ৰকাশ কৰে যে এই উৎসৱে জনসাধাৰণক এনে কিছুমান মূল্যবোধৰ প্ৰতি প্ৰেৰণা জগাই তুলিব যে যিসমূহে এখন শক্তিশালী আৰু সমৃদ্ধ দেশ নিৰ্মাণত সহায়ক হ'ব।

00000

**অসম চৰকাৰে ডিব্ৰুগড় জিলাত ২০২৫ চনৰ ৩১ মাৰ্চ অৰ্থাত আজিৰ পৰা সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসম চৰকাৰে এখন জাননীযোগে জনাইছে যে আইন-শৃংখলাৰ পৰিস্থিতি উন্নত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি**

**এতিয়াৰ পৰা ডিব্ৰুগড় জিলাক সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন ১৯৫৮ৰ অধীনত "অশান্ত এলেকা" হিচাপে বিবেচিত কৰা নহয়। অৱশ্যে ৰাজ্য চৰকাৰে তিনিচুকীয়া, চৰাইদেউ আৰু শিৱসাগৰ জিলাক আফছপাৰ অধীনত "অশান্ত এলেকা" হিচাপে অতিৰিক্ত ছমাহৰ বাবে বিবেচিত কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে।**

ooooo

বিশ্ব স্বাস্থ্য সংস্থাই ম্যানমাৰৰ ভূমিকম্পক এক বৃহৎ দুৰ্যোগ বুলি আখ্যা দিয়াৰ লগতে এই দুৰ্যোগৰ সৈতে মোকাবিলা কৰিবলৈ ৮ মিলিয়ন আমেৰিকান ডলাৰৰ প্ৰয়োজন আছে বুলি প্ৰকাশ কৰে।

সংস্থাটোৱে জনোৱা অনুসৰি দেশখনত শৈল্য চিকিৎসাৰ সীমিত সামৰ্থৰ বাবে সংক্ৰমণৰ আশংকা বৃদ্ধি পাইছে। ভূমিকম্পৰ পাছত দেশখনত নানা ধৰণৰ বেমাৰৰ বৃদ্ধি পাব বুলিও সংস্থাটোৱে শংকা প্ৰকাশ কৰিছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, যোৱা শুকুৰবাৰে ম্যানমাৰৰ মাণ্ডালয় চহৰত ৭ দশমিক ৭ প্ৰাবল্যৰ আৰু ৬ দশমিক ৭ প্ৰাবল্যৰ ওপৰা-উপৰিকৈ অহা দুটাকৈ ভূমিকম্পই দেশখন জোকাৰি যায়। এই ভূমিকম্পত ম্যানমাৰত এহেজাৰ ৭০০তকৈও অধিক লোকৰ মৃত্যু হোৱাৰ লগতে চুবুৰীয়া থাইলেণ্ডত কমেও ১৮ জন লোক মৃত্যু মুখত পৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উধামপুৰ-শ্ৰীনগৰ-বাৰমূল্লা ৰে'ল সংযোজনৰ ২৭২ কিলোমিটাৰ সম্পূৰ্ণ হোৱা ৰে'লপথৰ অহা ১৯ এপ্ৰিলত কাশ্মীৰৰ পৰা কাট্ৰালৈ প্ৰথমখন বন্দে ভাৰত এক্সপ্ৰেছৰ পতাকা জোকাৰি শুভাৰম্ভ কৰিব। কেন্দ্ৰীয় মন্ত্ৰী জীতেন্দ্ৰ সিঙে কালি জম্মুত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কয়, যে প্ৰধানমন্ত্ৰী শ্ৰীমোদী অহা ১৯ এপ্ৰিলত উধামপুৰত উপস্থিত হ'ব। তেওঁ বিশ্বৰ আটাইতকৈ উচ্চ স্থানত ৰে'ল দলঙৰ পৰিদৰ্শন কৰাৰ লগতে মুকলিও কৰিব। ইয়াৰ পাছতে তেওঁ পতাকা জোকাৰি কাট্ৰাৰ পৰা বন্দে ভাৰত ৰে'লৰ শুভাৰম্ভ কৰিব। এই ৰে'ল সেৱাই প্ৰথম অৱস্থাত কাট্ৰাৰ পৰা জম্মু ষ্টেচনলৈ যাত্ৰা সামৰি ল'ব।

জম্মুৰ বহু প্ৰতিক্ষীত এই ৰে'ল প্ৰকল্প ১৯৯৭ চনত আৰম্ভ কৰা হৈছিল যদিও প্ৰতিকূল পৰিৱেশৰ বাবে প্ৰকল্পৰ কাম সম্পাদনত যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল। এই প্ৰকল্পই ৩৮টা সুৰংগ, ৯২৭ খন দলং আৰু আইফেল টাৱাৰতকৈ উচ্চত অৱস্থিত এহেজাৰ ৩১৫ মিটাৰ দৈৰ্ঘ্যৰ চেনাব দলঙক সামৰি লৈছে।

ৰে'ল বিভাগৰ বিষয়াসকলে জনোৱা অনুসৰি এই ৰে'ল যাত্ৰাই জম্মু আৰু শ্ৰীনগৰক সামৰি লোৱাৰ লগতে অঞ্চলটোৰ যোগাযোগ উন্নত কৰিব।

ooooo

ভাৰতীয় বায়ুসেনাই আজি গ্ৰীচত হ'বলগীয়া বহুদেশীয় বায়ু অনুশীলনত অংশগ্ৰহণ কৰিব। ১২ দিনীয়া এই অনুশীলনৰ অহা ১১ এপ্ৰিলত অন্ত পৰিব। ভাৰতীয় বায়ুসেনাৰ দলত সুখই-৩০, আই এল-৭৮ আৰু চি-১৭ বিমান আছে। এই অনুশীলনৰ দ্বাৰা ভাৰতীয় বায়ুসেনাৰ ক্ষমতা শক্তিশালী হ'ব আৰু অনুশীলনত অংশগ্ৰহণ কৰা দেশসমূহৰ সৈতে ভাৰতৰ সহযোগিতা বৃদ্ধি পাব।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **পোষণ অভিযানৰ জৰিয়তে পুষ্টিহীনতা নির্মূল** সন্দৰ্ভত নতুন দিল্লীত অৱস্থিত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ শিশু শৈল্য চিকিৎসা বিভাগৰ সহযোগী অধ্যাপক ডাঃ অজয় বাৰ্মা আৰু পৰিপুষ্টিৰ বিশেষজ্ঞ ডাঃ ৰীচা জয়ছোৱালৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **গৰ্ভৱতী মহিলা তথা শিশুৰ পুষ্টিহীনতা কিদৰে চিনাক্ত আৰু পৰিপুষ্টি নিয়ন্ত্ৰণ কৰিব পাৰি** এই সন্দৰ্ভত সমল ব্যক্তিসকলক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰাৰ লগতে সামাজিক মাধ্যম **এক্সত, হেছটেগ AskAir** ৰ জৰিয়তেও প্ৰশ্ন সুধিব পাৰিব।

০০০০০

**আই পি এল ক্ৰিকেট প্ৰতিযোগীতাৰ এখন খেলত কালি নিশা গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছে চেন্নাই চুপাৰ কিংছক ৬ ৰাণৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনত চেন্নাই চুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭৬ ৰাণ সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ অধিনায়ৰ ৰুতুৰাজ গাইকোৱাডে সৰ্বাধিক ৬৩ ৰাণ কৰে। ৰাজস্থান ৰয়েলছৰ হৈ ৱানিন্দু হাচাৰংগাই চাৰিটা উইকেট লোৱাৰ লগতে জফৰা আৰ্চাৰ আৰু সন্দীপ শৰ্মাই এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে টচত জিকি চেন্নাই চুপাৰ কিংছে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছিল। প্ৰথমে বেট ধৰি ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৮২ ৰাণ সংগ্ৰহ কৰে। ৰাজস্থান ৰয়েলচৰ হৈ ১০টা চাৰি আৰু ৫টা ছয় কোবাই ৩৬টা বলত ৮১ ৰাণ কৰা নীতিশ ৰাণাক প্লেয়াৰ অফ দ্যা মেচ সন্মান প্ৰদান কৰা হয়। চেন্নাই চুপাৰ কিংছৰ হৈ খলীল আহমেদ, নুৰ আহমদ আৰু মাথীছা পাথীৰাণাই দুটাকৈ উইকেট দখল কৰে। ৰবীচন্দ্ৰন অশ্বীন আৰু ৰবীন্দ্ৰ জাডেজাই এটাকৈ উইকেট দখল কৰে। আই পি এল ক্ৰিকেট প্ৰতিযোগীতাৰ আন এখন খেলত কালি দেলহী কেপিটেলছে চানৰাইজাৰ্চ হায়দৰাবাদক সাত উইকেটৰ বিনিময়ত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি চানৰাইজাৰ্চ হায়দৰাবাদে ১৮ অভাৰ আৰু চাৰিটা বলত ১৬৩ ৰাণ সংগ্ৰহ কৰি ১৬৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল। ইয়াৰ প্ৰত্যুত্তৰত দেলহী কেপিটেলছে ৩টা উইকেট হেৰুৱাই ১৬ অভাৰত ১৬৬ ৰাণ সংগ্ৰহ কৰি বিজয় লক্ষ্য অতিক্ৰম কৰে। আজি মুম্বাইৰ ৱাংখাডে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানচ কলকাতা নাইট ৰাইডাৰছৰ মুখামুখি হব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।**

০০০০০

**এছিয়ান ৰেছলিং চেম্পিয়নশ্বিপত কালি জৰ্ডানৰ আম্মানত অলিম্পিক খেলুৱৈ দীপক পুনিয়া আৰু উদিতে ৰূপৰ পদক লাভ কৰে। পুৰুষৰ ফ্ৰীষ্টাইল ৯২ কেজি ওজন শাখাত দীপক পুনিয়াই ৰূপৰ পদক জয় লাভ কৰে। একেদৰে উদিতে ৬১ কেজি ওজন শাখাত ৰূপৰ পদক লাভ কৰে। ১২৫ কেজি শাখাত তুৰ্কমেনিস্তানৰ জিয়ামুহামেট চাপাৰভক পৰাস্ত কৰি দীনেছে ব্ৰঞ্জৰ পদক লাভ কৰে। এই প্ৰতিযোগিতাত ভাৰতে এটা স্বৰ্ণ, তিনিটা ৰূপ আৰু ৬টা ব্ৰঞ্জসহ মুঠ ১০টা পদক লাভ কৰে।**

০০০০০

ইণ্ডিয়ান ছুপাৰ লীগ ফুটবল প্ৰতিযোগীতাৰ এখন খেলত কালি শিলচৰত জামছেদপুৰ ফুটবল ক্লাবে নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবক ২-০ গ'লত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। জামছেদপুৰ ফুটবল ক্লাবে শেষৰ চাৰিখন খেলত মোহন বাগান ছুপাৰ জায়েণ্টৰ বিৰুদ্ধে খেলিব। আনহাতে প্ৰতিযোগীতাত হাইলেণ্ডাৰছৰ অভিযানৰ সামৰণি পৰিছে। জামছেদপুৰ ফুটবল ক্লাবে আই এচ এলৰ এইবাৰৰ সংস্কৰণত এতিয়ালৈকে পাঁচখন খেলত জয়লাভ কৰিছে। আনহাতে নৰ্থইষ্ট ইউনাইটেড এফ চি ইতিমধ্যে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে তেহৰানে ৱাশ্বিংটনৰ সৈতে পাৰমাণৱিক চুক্তি সম্পন্ন নকৰিলে ইৰাণক বোমা আক্ৰমণ আৰু অতিৰিক্ত শুল্ক আৰোপ কৰাৰ ভাবুকি প্ৰদান কৰিছে। সংবাদমাধ্যমৰ সৈতে হোৱা এটা টেলিফোনিক সাক্ষাৎকাৰত ট্ৰাম্পে কয় যে ২০১৭ পৰা ২০২১ চনৰ প্ৰথমটো কাৰ্যকালত ট্ৰাম্পে ইৰাণ আৰু বিশ্ব শক্তিসমূহৰ মাজত হোৱা চুক্তিৰ পৰা আমেৰিকাক প্ৰত্যাহাৰ কৰিছিল, য'ত নিষেধাজ্ঞাৰ সকাহৰ বিনিময়ত তেহৰাণৰ বিতৰ্কিত পাৰমাণৱিক কাৰ্যকলাপৰ ওপৰত কঠোৰ সীমাবদ্ধতা আৰোপ কৰা হৈছিল। তেতিয়াৰ পৰাই ইৰাণে ইউৰেনিয়াম সমৃদ্ধিৰ চুক্তিবদ্ধ সীমা বহুখিনি অতিক্ৰম কৰিছে। অৱশ্যে চুক্তি কৰিবলৈ সন্মত নহলে সামৰিক আক্ৰমণৰ ভাবুকিক তেহৰানে নাকচ কৰিছে। তেওঁলোকৰ পাৰমাণৱিক কাৰ্যসূচী সম্পূৰ্ণৰূপে অসামৰিক শক্তিৰ উদ্দেশ্যে বুলি তেহৰানৰ এটা সূত্ৰই প্ৰকাশ কৰে।

ooooo

সমাপ্ত